**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-11-2024 **Time :** 1205 Hrs

## *Assamese Midday (1205 Hrs.) Bulletin*

আজি লাচিত দিৱস। অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগ আৰু আহোম জাতীয় গণমঞ্চৰ উদ্যোগত ডিব্ৰুগড়ত ৪০২ সংখ্যক বীৰ লাচিত দিৱসৰ আয়োজন কৰা হৈছে। ডিব্ৰুগড় জিলা প্ৰশাসন আৰু পথালিবাম অঞ্চলৰ ৰাইজৰ সহযোগত মৰাণৰ পানীতোলা গ্ৰাণ্ট মজলীয়া বিদ্যালয় খেলপথাৰত এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে। দিনৰ ১ বজাৰ পৰা আৰম্ভ হ'বলগীয়া ৪০২ সংখ্যক বীৰ লাচিত দিৱসৰ কাৰ্যসূচীত মুখ্য অতিথি হিচাপে অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী বিমল বৰাই অংশগ্ৰহণ কৰিব। কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী যোগেন মোহনকে ধৰি বীৰ লাচিত দিৱসৰ কাৰ্যসূচীত ৰাজ্যসভাৰ সাংসদ ৰামেশ্বৰ তেলী আৰু কেইবাগৰাকীও স্থানীয় বিধায়কে অংশগ্ৰহণ কৰিব। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক প্ৰাঞ্জল বুঢ়াগোহাঁইয়ে নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকিব।

লাচিত দিৱসৰ লগত সংগতি ৰাখি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নকুল চন্দ্ৰ ভূঞাৰ দ্বাৰা ৰচিত লাচিত বৰফুকন শীৰ্ষক কবিতাটোৰ উদ্ধৃতিৰে ৰাজ্যবাসীক লাচিত দিৱসৰ শুভেচ্ছা জ্ঞাপন কৰিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মাতৃৰ নামত এজোপা গছ অভিযানৰ অধীনত মাত্ৰ ৫ মাহৰ ভিতৰত ১০০ কোটি গছপুলি ৰোপণৰ গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি অতিক্ৰম কৰা বুলি প্ৰকাশ কৰিছে। আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি আজি ৰাষ্ট্ৰক উদ্দেশ্য কৰি ভাষণ দি শ্ৰীমোদীয়ে প্ৰকাশ কৰে। তেওঁ লগতে দেশৰ বিভিন্ন প্ৰান্তৰ জনসাধাৰণে এই অভিযানত অংশগ্ৰহণ কৰাক লৈ সন্তুষ্টি প্ৰকাশ কৰে। এই অভিযান সম্প্ৰতি বিশ্বৰ বিভিন্ন দেশলৈ সম্প্ৰসাৰিত হোৱাক লৈ গৌৰৱ প্ৰকাশ কৰি শ্ৰীমোদীয়ে শেহতীয়া গায়েনা ভ্ৰমণ কালত দেশখনৰ ৰাষ্ট্ৰপতি ড০ ইৰফান আলী, তেওঁৰ শাহু আৰু পৰিয়ালৰ অন্য সদস্যসকলে মাতৃৰ নামত এজোপা গছ অভিযানত তেওঁ সংগ দিয়াৰ কথা স্মৰণ কৰে।

প্ৰধানমন্ত্ৰীয়ে কয় যে মধ্যপ্ৰদেশৰ ইন্দোৰত ২৪ ঘণ্টাৰ ভিতৰত ১২ লাখৰো অধিক গছপুলি ৰোপণ কৰি নতুন অভিলেখ গঢ়া হৈছে। তেওঁ কয় যে এই অভিযানৰ ফলত ইন্দোৰৰ ৰেৱাতি পাৰ্বত্য অঞ্চলৰ অনুৰ্বৰ ভূমি সেউজ ক্ষেত্ৰলৈ ৰূপান্তৰ কৰা হৈছে। তেওঁ লগতে ৰাজস্থানৰ জয়ছলমেৰৰ মহিলাৰ এটা দলে ১ ঘণ্টাত ২৫ হাজাৰ গছপুলি ৰোপণ কৰাৰ বিষয়ে উল্লেখ কৰে। অনুষ্ঠানত এই অভিযানৰ অধীনত স্থানীয় আৱশ্যকতা অনুযায়ী গছপুলি ৰোপণ কৰা বিভিন্ন সামাজিক সংস্থাৰ উদাহৰণ শ্ৰীমোদীয়ে দিয়ে। তেওঁ কয় যে এই সংস্থাসমূহে ঠাই বিশেষে ঔষধি গছৰ লগতে চৰাই-চিৰিকটিয়ে বাহ সাজিব পৰাকৈ বিভিন্ন গছপুলি ৰোপণ কৰিছে। প্ৰধানমন্ত্ৰীয়ে এই অভিযানত অংশগ্ৰহণ কৰিবলৈ আৰু মাই গভ দট ইন পৰ্টেল যোগে গছপুলিৰ সৈতে ছেলফি আপলোড কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়।

পৰিস্কাৰ পৰিচ্ছন্নতা সন্দৰ্ভত শ্ৰীমোদীয়ে কয় যে চৰকাৰী কাৰ্যলয়ৰ দশক-দশক পুৰণি ফাইল আৰু ব্যৱহাৰ নোহোৱা পুৰণি সামগ্ৰী আঁতৰ কৰাৰ বাবে বিশেষ পৰিস্কাৰ পৰিচ্ছন্নতা অভিযান আৰম্ভ কৰা হৈছে।

তেওঁ কয় যে চৰকাৰী বিভাগসমূহত এই আঁচনি ফলদায়ক ৰূপে পৰিগণিত হৈছে আৰু কাৰ্যালয়সমূহত যথেষ্ঠ ঠাই ওলাইছে। ভাৰতত আৱৰ্জনাৰ পৰা সম্পদ প্ৰাচীন অৱধাৰণা বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে আৱৰ্জনাক সম্পদলৈ ৰূপান্তৰ কৰা আৰু বহনক্ষম জীৱন শৈলীৰ প্ৰসাৰৰ বাবে কাম কৰা একাংশ যুৱক-যুৱতীৰ উদাহৰণ দিয়ে।

এই প্ৰসংগত ঈতিশাৰ উদাহৰণ দি শ্ৰীমোদীয়ে কয় যে যুৱতীগৰাকীয়ে কৰ্পʼৰেট জগতৰ জাকজমকতা ত্যাগ কৰি অৰুণাচল প্ৰদেশৰ ছুংতি উপত্যকাৰ পৰিস্কাৰ-পৰিচ্ছন্নতাৰ কামত নিজকে উৎসৰ্গা কৰিছে। উপত্যকাটোত পৰ্যটকৰ বাবে ভালেখিনি প্লাষ্টিক আৱৰ্জনা গোট খাইছিল আৰু এই আৱৰ্জনাৰ বাবে উপত্যকাটোৰ নদ-নদীসমূহ প্ৰদূষিত হৈ পৰিছিল। ঈতিশাই সেই অঞ্চলৰ থলুৱা জনসাধাৰণৰ সৈতে লগ লাগি এই নৈসমূহ প্ৰদূষণমুক্ত কৰাৰ বাবে কাম কৰি আছে।

এনে ধৰণৰ প্ৰচেষ্টাই দেশৰ পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ অভিযানত  গতি প্ৰদান কৰা বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে।

ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী -এনচিচি দিৱস উপলক্ষে শ্ৰীমোদীয়ে শিক্ষাৰ্থীৰ বাহিনীৰ সদস্য হৈ থকা সময়চোৱাৰ কথা স্মৰণ কৰে। তেওঁ কয় যে এন চি চিয়ে যুৱ প্ৰজন্মৰ মাজত অনুশাসন, নেতৃত্ব আৰু সেৱাৰ মনোভাৱ যোগাই তোলে। সম্প্ৰতি ২০ লাখৰো অধিক যুৱক-যুৱতী বাহিনীটোৰ সৈতে জড়িত হৈ আছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে।

শ্ৰীমোদীয়ে লগতে অহা বছৰ স্বামী বিবেকানন্দৰ ১৬২ সংখ্যক জন্মবাৰ্ষিকীৰ দিনা দিল্লীত বিকশিত ভাৰত যুৱ নেতাসকলৰ আলোচনা  অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰে। দেশে স্বামী বিবেকানন্দৰ জন্মবাৰ্ষিকী উপলক্ষে প্ৰতিবছৰে ১২ জানুৱাৰীত যুৱ দিৱস পালন কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে দেশৰ বিভিন্ন প্ৰান্তত কোটি কোটি যুৱক যুৱতীয়ে বিকশিত ভাৰত যুৱ নেতাসকলৰ আলোচনাত অংশগ্ৰহণ কৰিব বুলি জানিবলৈ দিয়ে। দুহেজাৰ এনে যুৱক-যুৱতীক গাঁও, উন্নয়ন খণ্ড, জিলা আৰু ৰাজ্যসমূহৰ পৰা বাচনি কৰা হৈছে বুলি তেওঁ প্ৰকাশ কৰে।

শ্ৰীমোদীয়ে এইবাৰৰ মন কী বাত অনুষ্ঠানত সমাজৰ বাবে নিস্বাৰ্থ ভাৱে কাম কৰা একাংশ যুৱক-যুৱতীৰ কথাও প্ৰকাশ কৰে।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে প্ৰতি দেওবাৰে সন্ধিয়া ৭ বাজি ৪৫ মিনিটত প্ৰচাৰ কৰি অহা **চলন্তিকা** অনুষ্ঠানটোৰ নাম পূৰ্বৰ **সংবাদ চলন্তিকা**লৈ পুনৰ নামকৰণৰ সিদ্ধান্ত লৈছে। **সংবাদ চলন্তিকাৰ** প্ৰথমটো অনুষ্ঠান আজি নিশা ৭ বাজি ৪৫ মিনিটত প্ৰচাৰিত হʼব। এই অনুষ্ঠানত অসমৰ ৰেʼলসেৱাৰ সাম্প্ৰতিক দৃশ্যপট আৰু জনসাধাৰণৰ প্ৰত্যাশা সম্পৰ্কত বিভিন্ন জিলাৰ সংবাদদাতাসকলে জনসাধাৰণৰ পৰা সংগ্ৰহ কৰা মতামত প্ৰচাৰ কৰা হʼব। বাতৰি বিভাগৰ হৈ অনুষ্ঠানটো প্ৰযোজনা কৰিব ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০০০

শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰীমাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত অহা ২ ডিচেম্বৰৰ পৰা ৬ ডিচেম্বৰলৈ নটসূৰ্যৰ অষ্টবিংশতিতম নাট সমাৰোহৰ আয়োজন কৰা হৈছে। নাট সমাৰোহৰ উদ্বোধনী অনুষ্ঠানত সাহিত্য একাডেমী বঁটাপ্ৰাপক, নৃত্যাচাৰ্য পদ্মশ্ৰী সন্মানেৰে সন্মানিত যতীন গোস্বামীয়ে মুখ্য অতিথি হিচাপে অংশ লʼব। উদ্বোধনী অনুষ্ঠানৰ সৈতে সংগতি ৰাখি ভাস্কৰ বৰুৱাৰ দ্বাৰা ৰচিত মলখু শীৰ্ষক নাটখন

প্ৰদৰ্শন কৰা হ'ব। এইবাৰ বিশিষ্ট নাট্যকাৰ, পৰিচালক আৰু অভিনেতা লিয়াকত আলীক গিয়াছ উদ্দিন আহমেদ স্মাৰক বঁটা প্ৰদান কৰা হ'ব। নাট সমাৰোহৰ ৬ ডিচেম্বৰৰ বাহিৰে প্ৰতিটো সন্ধিয়াৰ প্ৰৱেশ বিনামূলীয়া হ'ব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে।

০০০০০০০

ভাৰতে অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে পাৰ্থত অনুষ্ঠিত বৰ্ডাৰ গাভাস্কাৰ ট্ৰফীৰ টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলৰ আজি তৃতীয় দিনা এটাও উইকেট নেহেৰুৱাকৈ কালি সংগ্ৰহ কৰা ১৭২ ৰানৰ পৰা দ্বিতীয় ইনিংছৰ খেল আৰম্ভ কৰে। আমালৈ বাতৰি অহাৰ পৰলৈকে ভাৰতে ৫টা উইকেট হেৰুৱাই ৩২৪ ৰান সংগ্ৰহ কৰি খেলি আছে। এতিয়ালৈকে ভাৰতে ৩৭০ ৰানৰ অগ্ৰগতি লাভ কৰিছে।

অ'পেনাৰ যশস্বী জয়ছোৱালে ১৬১ ৰান আৰু কে এল ৰাহুলে ৭৭ ৰান সংগ্ৰহ কৰে।

বৰ্তমান ক্ৰিজত বিৰাট কোহলীয়ে ১৮ ৰান আৰু ৱাচিংটন সুন্দৰে এক ৰান কৰি খেলি আছে।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ২০২৫ বৰ্ষৰ সংস্কৰণৰ বাবে ছৌদি আৰবৰ জেদ্দাহত আজি আৰু কাইলৈ নিলাম অনুষ্ঠিত হ'ব। একেৰাহে দ্বিতীয়বাৰৰ বাবে আই পি এলৰ নিলাম বিদেশত অনুষ্ঠিত হ'ব। ২০২৪ বৰ্ষৰ বাবে ডুবাইত নিলাম অনুষ্ঠিত হৈছিল। এইবেলি এহেজাৰ ১৬৫ গৰাকী ভাৰতীয় আৰু ৪০৯ গৰাকী বিদেশী খেলুৱৈসহ মুঠ এহেজাৰ ৫৭৪ গৰাকী খেলুৱৈয়ে নিলামত ভাগ ল'বলৈ সন্মতি প্ৰকাশ কৰিছে। সৰ্বাধিক ২৫ গৰাকী খেলুৱৈক লৈ দল গঠন কৰিব পৰা যাব আৰু নিলামৰ জৰিয়তে মুঠ ২০৪টা শ্ল'ট লাভ কৰিব পৰা যাব।

০০০০০০০

সমাপ্ত